REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-11-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

**<u>Headlines</u>**

১। ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াত নিজৰ তথ্যসমূহ ৯ ডিচেম্বৰৰ ভিতৰত শুদ্ধৰূপত পঞ্জীয়ন কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগৰ আহ্বান।

২। গুণগত স্বাস্থ্য সেৱাৰ মান নিশ্চিত কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যজুৰি দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ।

৩। প্ৰথম অন্নসেৱা সপ্তাহ উপলক্ষে যোৱা ১০ ৰ পৰা ১৬ নৱেম্বৰৰ সময়ছোৱাত ৰাজ্য চৰকাৰৰ খাদ্য সামগ্ৰী বিতৰণ।

৪। প্ৰধানমন্ত্ৰী বন ধন যোজনাৰ অধীনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ৮৪ টা বন ধন গোটক পুঁজি বিতৰণ।

*আৰু*

৫। উত্তৰ পূৰ্বাঞ্চলত পৰ্যটনৰ অপাৰ সম্ভাৱনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে কাইলৈৰ পৰা শ্বিলঙত পৰ্যটন মন্ত্ৰালয়ৰ পৰ্যটন মেলাৰ আয়োজন।

০০০০০০

দেশৰ নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়া অহা মাহৰ ৯ তাৰিখলৈ অব্যাহত ৰখা হ'ব বাবে নাগৰিকসকলক এই তালিকাত নিজৰ তথ্যসমূহ শুদ্ধ ৰূপত পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্ট যোগে আয়োগে কয় যে, এই প্ৰক্ৰিয়াৰ জৰিয়তে নাগৰিকসকলে ভোটদাতাৰ পৰিচয়পত্ৰৰ তথ্য ঠিকনা আদি শুদ্ধভাৱে প্ৰদান কৰিব পাৰিব। পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এই সংক্ষিপ্ত সংশোধনী অত্যন্ত গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছে। যুৱ প্ৰজন্মক অন্তৰ্ভুক্ত কৰি এখন ত্ৰুটি বিহীন ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে আয়োগে লক্ষ্য লৈছে। এই অনুসৰি ২০২৪ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলে এই তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিব পাৰিব। অহা ২৬ ডিচেম্বৰত এই তালিকা সম্পৰ্কীয় ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰা হ'ব। অহা ৫ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পাব। অৱশ্যে নাগালেণ্ডত অহা বছৰৰ ১০ জানুৱাৰীত এই তালিকা প্ৰকাশ পাব।

ইপিনে নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচন অনুষ্ঠিত ৫খন ৰাজ্যত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰে পৰা এহেজাৰ ৭৬০ কোটিৰো অধিক টকা জব্দ কৰিছে। ২০১৮ চনত মিজোৰাম, মধ্যপ্ৰদেশ, ছত্তিশগড়, ৰাজস্থান আৰু তেলেংগানাত অনুষ্ঠিত নিৰ্বাচনৰ সময়ত জব্দ কৰা ধনতকৈ এই ধন সাতগুণ অধিক। তেলেংগানাৰ পৰা সৰ্বাধিক ৬৫৯ কোটি টকা জব্দ কৰা হৈছে বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

গুণগত স্বাস্থ্য সেৱাৰ মান নিশ্চিত কৰাৰ লক্ষ্যৰে আজিৰে পৰা ২২ নৱেম্বৰলৈ ৰাজ্যজুৰি দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। চিকিৎসা প্ৰতিষ্ঠানসমূহত থকা অভাৱ নিৰীক্ষণৰ লগতে ভাৰতীয় জনস্বাস্থ্য মান, ২০২২ অনুসৰি আন্তঃগাঁথনি শক্তিশালী আৰু উন্নয়ন ঘটোৱাৰ উদ্দেশ্য আগত ৰাখি অনুষ্ঠিত কৰিবলৈ ওলোৱা এই উৎসৱত ৰাজ্যৰ ২২ খন জিলা চিকিৎসালয়, ১৫ খন মহকুমা অসামৰিক চিকিৎসালয়, ২১৩ খন সামুহিক স্বাস্থ্য কেন্দ্ৰ, আৰু এহেজাৰ ১১ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সামৰি লোৱা হ'ব। এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহক দুটা পৰ্যায়ত মূল্যায়ন কৰা হ'ব। ইয়াৰে বহিঃমূল্যায়ন পৰ্যায়ত সাংসদ, বিধায়ক, প্ৰশাসনিক বিষয়া, মহাবিদ্যালয়ৰ অধ্যাপক, চিকিৎসক অথবা চিকিৎসা মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষাৰ্থীৰ মাজৰ পৰা যিকোনো দুগৰাকী মূল্যায়নকাৰী থাকিব। তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱৰ মূল্যায়নকাৰীসকলে পূৰ্ব নিৰ্ধাৰিত তালিকা অনুসৰি স্বাস্থ্যকেন্দ্ৰসমূহৰ মূল্যায়ন সম্পন্ন কৰিব। এই তিনিদিনে উৎসৱৰ বাবে মুঠ ৪৩০টা দলক নিয়োগ কৰা হ'ব।

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে **যোৰহাট** জিলাতো আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যমেলা উৎসৱ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীয়ে জিলাখনৰ সকলো স্বাস্থ্যসেৱা প্ৰতিষ্ঠানক সামৰি লৈছে। কাৰ্যসূচীৰ প্ৰথম দিনা সাংসদ কামাখ্যা প্ৰসাদ তাছাই বাঘচোং স্বাস্থ্য কেন্দ্ৰত জিলা স্বাস্থ্যসেৱা উৎসৱ মুকলি কৰে।

**কামৰূপ** মহানগৰৰ ৫২ টা স্বাস্থ্যকেন্দ্ৰত আজিৰপৰা দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱত স্বাস্থ্যকেন্দ্ৰসমূহক আন্তঃগাঁথনি, মানৱসম্পদ আৰু সেৱা প্ৰদানৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। আজি বহিঃমূল্যায়ক হিচাপে বিদ্যালয় শিক্ষা বিভাগৰ যুটীয়া সচিব তথা প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে ক্ষেত্ৰীৰ সামূহিক স্বাস্থ্যকেন্দ্ৰ, বিশেষ টাস্ক ফ'ৰ্চৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰুণা নেওগে মহানগৰীৰ চুনচালি নগৰীয়া স্বাস্থ্যকেন্দ্ৰ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে মহানগৰৰ এখন জিলা চিকিৎসালয়, এখন সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন এফ আৰ ইউ আৰু ৪৮ খন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত এইবেলি স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হ'ব। আনহাতে, **কামৰূপ** জিলাৰ ৮১ খন চিকিৎসালয় তথা স্বাস্থ্যকেন্দ্ৰক এই উৎসৱে সামৰি ল'ব।

দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱত **চিৰাং** জিলাৰ মুঠ ২৮ খন চিকিৎসালয়ৰ মূল্যায়ন কৰা হ'ব। এই উপলক্ষে আজি কাজলগাঁৱত স্বাস্থ্য সেৱা উৎসৱৰ মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। চিকিৎসালয় নিৰীক্ষণ কালত বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নিৰীক্ষক চিকিৎসকৰ লগতে এটি দলে তিনিদিন ধৰি চিকিৎসালয়সমূহ নিৰীক্ষণ কৰিব। **গোৱালপাৰা** জিলাতো আজিৰপৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্যসেৱা উৎসৱ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীৰে জিলাখনৰ ৪৫ খন চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি ল'ব। তিনিদিনীয়া কাৰ্যসূচীৰ জৰিয়তে প্ৰতিদিনে ১৫ খনকৈ স্বাস্থ্য প্ৰতিষ্ঠানৰ আন্তঃগাঁথনি উন্নয়ন, চিকিৎসক-কৰ্মচাৰীৰ সংখ্যা, চিকিৎসাৰ মান আদিৰ দিশ পৰ্যবেক্ষণ কৰিবলৈ প্ৰশাসনে দুজনীয়া প্ৰতিনিধিৰে ১৫ টাকৈ দল গঠন কৰিছে। এগৰাকী বিশেষজ্ঞ চিকিৎসক আৰু এগৰাকী প্ৰশাসনিক বিষয়া থকা দলকেইটাই নিৰ্ধাৰিত ৪৫ খন চিকিৎসালয়ৰ বিভিন্ন দিশ মূল্যায়ন কৰিব। ইয়াৰ উপৰি ৰাজ্য চৰকাৰেও প্ৰতিষ্ঠানসমূহ নিৰীক্ষণ কৰিবলৈ জিলাখনত বিভিন্ন বিভাগৰ ৮ গৰাকী উচ্চপদস্থ প্ৰশাসনিক বিষয়াক নিয়োগ কৰিছে। একেদৰে **মৰিগাঁও** জিলাৰ ৪১ খন স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ধুবুৰী, কৰিমগঞ্জ জিলাতো দ্বিতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা উৎসৱ আজিৰপৰা বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

০০০০০০

প্ৰথম অন্ন সেৱা সপ্তাহ উপলক্ষে অসম চৰকাৰে যোৱা ১০ৰ পৰা ১৬ নৱেম্বৰৰ সময়ছোৱাত এক লাখ ৰেচন কাৰ্ড থকা লোকক খাদ্য সামগ্ৰী বিতৰণ কৰে। এই সপ্তাহত ৯৬ শতাংশ ৰেচনকাৰ্ড থকা লোকে বিনামূলীয়া খাদ্য সামগ্ৰী লাভ কৰিছে। জিলাসমূহৰ ভিতৰত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ৯৮ দশমিক ৭-৩ শতাংশ, মাজুলীত ৯৮ দশমিক ৫-৮ শতাংশ আৰু হোজাই জিলাত ৯৮ দশমিক ০-২ শতাংশ লোকে খাদ্য সামগ্ৰী লাভ কৰে। ৯ দিনৰ ভিতৰত ১ দশমিক ১-০ মেট্ৰিকটন খাদ্য সামগ্ৰী বিতৰণৰ দ্বাৰা অভিলেখ সৃষ্টি কৰা হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। ইফালে ৰাজ্যৰ কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা প্ৰতিমাহৰ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত অন্ন সেৱা সপ্তাহৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ প্ৰগতি ময়দানত চলি থকা ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা ২০২৩ৰ স্বাস্থ্য সম্পৰ্কীয় পেভিলিয়ন পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন স্বাস্থ্যসম্পৰ্কীয় আঁচনিৰ সা-সুবিধাৰ বিষয়ে অৱগত কৰা বিপনীসমূহত উপস্থিত হোৱাৰ লগতে ভালসংখ্যক হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে এই মেলাত আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ বিপনীখনে বিশেষ গুৰুত্ব লাভ কৰিছে। এই বিপনীখনত থিতাতেই আয়ুষ্মাণ কাৰ্ড অনলাইন প্ৰদান কৰা হৈছে। স্বাস্থ্য মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এতিয়ালৈ ২৭ কোটি আয়ুষ্মান কাৰ্ড প্ৰস্তুত কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনাত আৰু পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ নেতৃত্বত পথ সুৰক্ষা সন্দৰ্ভত সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে আজি কামৰূপ মহানগৰ জিলাৰ পৰা মটৰ চাইকেল সমদল উলিওৱা হয়। মন্ত্ৰী শ্ৰী শুক্লবৈদ্যই অংশগ্ৰহণ কৰা এই সমদল জিলা আয়ুক্ত পল্লৱ গোপাল ঝা আৰু ডাঃ ৰবীন কুমাৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে পৰিবহণ মন্ত্ৰীগৰাকীয়ে মটৰ চাইকেলেৰে গুৱাহাটীৰ পৰা গোৱালপাৰালৈ যাত্ৰা কৰিব। পথ সুৰক্ষাৰ উদ্দেশ্যে আৰম্ভ কৰা এই সমদল জন আন্দোলনত পৰিণত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। আনহাতে, সমদলৰ পূৰ্বে পৰিবহণ মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত পথ সুৰক্ষা বিষয়ক এখন সভাত অংশগ্ৰহণ কৰে। পথ দুৰ্ঘটনাৰ ভয়াৱহতাৰ পৰিসংখ্যা দাঙি ধৰি তেওঁ কয় যে চলিত বৰ্ষত এতিয়ালৈকে কামৰূপ মহানগৰ জিলাত ৬১৮ টা পথ দুৰ্ঘটনা সংঘটিত হৈছে। এনে দুৰ্ঘটনাত ২১৫ গৰাকী লোকে মৃত্যুক সাৱটি লৈছে বুলিও তেওঁ কয়। সমগ্ৰ ৰাজ্যত বছৰি প্ৰায় ৩ হাজাৰ লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হয়। সুৰাপান কৰি গাড়ী চলোৱাৰ ফলত ১০ শতাংশ লোকৰ মৃত্যু হয় বুলি তেওঁ উল্লেখ কৰে। পথ দুৰ্ঘটনা ৰোধিবলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ত পথ সুৰক্ষা পৰিষদ গঠন কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰাৰ লগতে ৰাইজক যান-বাহন আইন মানি চলিবলৈ আহ্বান জনায়। লগতে অবৈধভাৱে হোৱা সুৰা বিক্ৰী আৰু নিশা ১০ বজাৰ পাছত অনুমতিবিহীনভাৱে সুৰা বিক্ৰী বন্ধ কৰিবলৈ আবকাৰী বিভাগৰ বিষয়াক তেওঁ নিৰ্দেশ দিয়ে। দুৰ্ঘটনা হ্ৰাস কৰাৰ স্বাৰ্থত পথসমূহৰ মেৰামতি কৰিবলৈও তেওঁ লোকনিৰ্মাণ বিভাগৰ বিষয়াক আহ্বান জনায়।

০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে ৰাজ্যখনত প্ৰাক্ নিৰ্বাচনী কাৰ্যকলাপ আৰম্ভ হৈছে। নৱগঠিত দৰং, ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত মাজবাট বিধানসভা সমষ্টিত শাসকীয় বিজেপিয়ে দলৰ ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে আজি এখন কৰ্মীসভাৰ আয়োজন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ

পেগুৱে অংশ লৈ বিজেপি, ইউপিপিএল মিত্ৰজোটৰ চৰকাৰে বিটিআৰ ৰূপায়ন কৰা উন্নয়নমূলক কাৰ্যকলাপৰ ক্ষতিয়ান দাঙি ধৰে। ইপিনে, চৰাইদেউ জিলাৰ সোণাৰিৰ আৱৰ্ত ভৱনত কংগ্ৰেছ দলে আজি এখন সভাৰ আয়োজন কৰে। অনুষ্ঠানত কলীয়াবৰৰ সাংসদ গৌৰৱ গগৈয়ে অংশ লৈ পৰৱৰ্তী লোকসভা নিৰ্বাচনত দলে ১৪টা সমষ্টিতে ভাল ফল দেখুৱাব বুলি মন্তব্য কৰে। বিধায়ক অখিল গগৈয়েও আজি শিৱসাগৰৰ ৰংঘৰ বাকৰিৰ পৰা গণসংযোগ যাত্ৰাৰ শুভাৰম্ভ কৰে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানত প্ৰধানমন্ত্ৰী বন ধন যোজনাৰ অধীনত পুঁজি বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি ৮৪ টা বন ধন গোটক ১ কোটি ৮৪ লাখ টকাৰ সাহায্য বিতৰণ কৰে। এই আঁচনিৰ অধীনত ৬৮ টা বন ধন গোটক ২ লাখ ৪০ হাজাৰকৈ কাৰ্যকৰী মূলধন আৰু ১৬ টা গোটক সহায়ক মূলধন ৰূপে ১ লাখ ১২ হাজাৰ ৫০০ টকাকৈ বিতৰণ কৰা হয়। বন ধন যোজনাই দেশৰ জনজাতীয় সম্প্ৰদায়ৰ জীৱন-জীৱিকাৰ উন্নতি সাধনৰ লগতে সমূদায়টোৰ সামগ্ৰিক কল্যাণ সাধন কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

পৰ্যটন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনৰ অপাৰ সম্ভাৱনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে কাইলৈৰ পৰা শ্বিলঙত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰিব। এই মেলাত পৰ্যটন মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে মুকলি কৰাৰ কথা। অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকিব। তিনিদিনীয়া এই কাৰ্যসূচী উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন পৰ্যটন সংস্থাৰ প্ৰতিনিধিসকলক দেশৰ বিভিন্ন প্ৰান্তৰ আৰু বিদেশৰো প্ৰতিনিধিৰ সৈতে মত বিনিময়ৰ সুযোগ দিয়া হ'ব। পৰ্যটন মন্ত্ৰালয়ে প্ৰতি বছৰে উত্তৰ-পূৰ্বাঞ্চলৰ এখন ৰাজ্যত এই কাৰ্যসূচীৰ আয়োজন কৰি আহিছে। নিম্ন কাৰ্বান নিৰ্গমনৰ নীতি গ্ৰহণ কৰি পৰিকল্পনা কৰা এই কাৰ্যসূচীত সেউজ বা পৰিৱেশ অনুকূল কাৰ্যসূচী হিচাপেও গণ্য কৰা হৈছে। পৰিৱেশ মন্ত্ৰালয়ৰ মিছন লাইফ অভিযানৰ ৰূপায়ণৰ বাবে গ্ৰহণ কৰা কৰ্মসূচীৰ দফাসমূহ এই অনুষ্ঠানত মানি চলা হ'ব। এই অনুসৰি অনুষ্ঠানত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সম্পূৰ্ণৰূপে পৰিহাৰ কৰাৰ লগতে সমগ্ৰ ব্যৱস্থাক ডিজিটীয় আৰু কাকতবিহীন কৰি তোলা হ'ব। পৰ্যটন মেলাত উত্তৰ-পূবৰ আঠোখন ৰাজ্যই পৰ্যটন ক্ষেত্ৰৰ নতুন সম্ভাৱনা আৰু নকৈ বিকশিত পৰ্যটন স্থানসমূহৰ বিষয়ে অৱগত কৰিব। চৰকাৰী আৰু ব্যক্তিগতখণ্ডৰ বিশেষজ্ঞসকলে অঞ্চলটোত যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সম্পৰ্কে ব্যাখ্যা কৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলত বিগত কেইটামান বছৰত বিমান যোগাযোগৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছে। সম্প্ৰতি অঞ্চলটোত ১৬টা বিমান বন্দৰৰ পৰা বিমান উৰণৰ সুবিধা আছে।

০০০০০০

ৰাজ্যৰ সুপ্ত ক্ৰীড়া প্ৰতিভাসমূহক উলিয়াই অনাৰ বাবে আয়োজিত খেল মহাৰণৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে কেইবাগৰাকীও বিধায়ক, জিলাসমূহৰ আয়ুক্ত, মহকুমাধিপতি আৰু জিলা ক্ৰীড়া বিষয়াসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। বৈঠকত খেল মহাৰণ সন্দৰ্ভত বিভিন্ন বিষয় চালিজাৰি চাই ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্টসকলক নিৰ্দেশ দিয়া হয়।

০০০০০০

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ সেৱা জ্ঞান তৰংগৰ ত্ৰয়োদশ বৰ্ষপূৰ্তি অনুষ্ঠান আজি বিশ্ববিদ্যালয়খনৰ বৈদ্যুতিন মাধ্যম প্ৰযোজনা কেন্দ্ৰৰ উদ্যোগত খানাপাৰাত থকা বিশ্ববিদ্যালয়খনৰ মহানগৰ চৌহদত অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ প্ৰচাৰ ভাৰতীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশিষ ভাটনাগাৰে কয় যে, সমূহীয়া অনাতাঁৰ ব্যৱস্থা আৰু মুক্ত বিশ্ববিদ্যালয়ৰ গভীৰ সামঞ্জস্য আছে। তেওঁ কয় যে, উত্তৰ-পূৰ্বাঞ্চল ভাষিক বৈচিত্ৰ্যৰে সমৃদ্ধ হোৱা হেতুকে শিক্ষানুষ্ঠানসমূহে স্থানীয় ভাষাত সামূহিক ৰেডিঅ' ষ্টেচন মুকলি কৰিলে জনসাধাৰণে এই অনুষ্ঠানৰ সৈতে অধিক একাত্ম অনুভৱ কৰিব। অনুষ্ঠানত অংশ লৈ জ্ঞান তৰংগৰ কেন্দ্ৰ সঞ্চালক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড০ ভৰৰঞ্জন শৰ্মাই সমাজৰ সামূহিক বিকাশ সাধনত ৰেডিঅ'ৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰে। উল্লেখযোগ্য যে ২০১০ চনত স্থাপন হোৱা জ্ঞান-তৰংগ সামূহিক ৰেডিঅ' সেৱাই সমূহীয়া উদ্দেশ্য আগত ৰাখি অনুষ্ঠান প্ৰচাৰ কৰি আহিছে।

০০০০০০

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা দুৰ্যোগ আশংকা হ্ৰাসৰ আৰু ম'ক অনুশীলনৰ বাবে জিলা পৰ্যায়ৰ এখন দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। নগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মনোৰমা মৰাঙে এই কৰ্মশালাৰ শুভাৰম্ভ কৰে। এই কৰ্মশালাখনে অসম ডি আৰ আৰ ৰোডমেপ, ২০৩০-ৰ জ্ঞান জড়িত অংশীদাৰসকলৰ ভূমিকা আৰু জিলাখনৰ নাগৰিকসকলৰ সহযোগত ৰূপায়ণৰ প্ৰক্ৰিয়াৰ লগতে আন বহুতো আনুসংগিক বিষয় সামৰি ল'ব।

০০০০০০

চৰাইদেউ জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত সোণাৰিত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা পৰ্যায়ৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। দুৰ্যোগৰ সময়ত ল'বলগা সাৱধানতা তথা দুৰ্যোগৰ সময়ত জনসাধাৰণক কিদৰে ক্ষিপ্ৰগতিত সহায় আগবঢ়াব পাৰি, সেই সন্দৰ্ভত কৰ্মশালাখনত বিস্তৃতভাৱে ব্যাখা কৰা হ'ব। ইউনিছেফৰ জ্যেষ্ঠ কাৰিকৰী বিষয়া মুকুন্দ উপাধ্যায়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা এই কৰ্মশালাত জিলাখনৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

শিশুসকলৰ সৰ্বাংগীন বিকাশৰ উদ্দেশ্যেৰে নগাঁও জিলাৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ অধীনত আজি শিশু অধিকাৰ দিৱস পালন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি নগাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত 'বেটী বচাও, বেটী পঢ়াও' আঁচনিৰ অধীনত এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত যোৰহাট জিলাৰ তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ শতবাৰ্ষিকী উপলক্ষে অহা ২২ নৱেম্বৰৰ পৰা আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। প্ৰতিষ্ঠানটোৱে অহা ২৪ নৱেম্বৰত খাদ্য সুৰক্ষা আৰু পৰিৱেশ বহন ক্ষমতাৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ প্ৰস্তুতি শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ মূল চৌহদত হ'বলগীয়া এই সন্মিলনত চাৰিদিনত ১৩ টা সত্ৰত ধানখেতিৰ গৱেষণা, অৰ্থনীতি, বাণিজ্যিক সম্ভাৱনীয়তা শেহতীয়া তথ্য প্ৰযুক্তিৰ প্ৰয়োগ, স্মাৰ্টকৃষি, পৰিপুষ্টি সুৰক্ষা, জৈৱিক

আৰু প্ৰাকৃতিক কৃষি, কীটনাশক তথা কীট-পতংগ ব্যৱস্থাপনা, জলবায়ু পৰিৱৰ্তিত কৃষি ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হ'ব।

oooooo

বৰপেটা জিলা সমবায় সমিতিসমূহৰ উপ-পঞ্জীয়ক আৰু সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়ত আজি ৭০ সংখ্যক নিখিল ভাৰত সমবায় সপ্তাহৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। জিলাখনৰ সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়ক শংকৰ সৌৰভৰ সভাপতিত্বত অনুষ্ঠিত সভাত বক্তাসকলে অনাগত দিনত সমবায় সমিতিসমূহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আঁচনি গ্ৰহণ কৰাৰ বাবে চৰকাৰক অনুৰোধ জনায়।

oooooo

সমাপ্ত